# জনসংযোগ, অসম
# মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ৭/২০২০

## গুৱাহাটীত অহা ১০ জানুৱাৰীৰ পৰা আৰম্ভ হ'বলগীয়া তৃতীয় সংখ্যক খেলো ইণ্ডিয়া য়ুথ গেমছ-২০২০ ৰ স্বেচ্ছাসেৱক সন্মিলনত মুখ্যমন্ত্ৰীৰ অংশ গ্ৰহণ

### স্বেচ্ছাসেৱক সকলে নিজৰ দায়িত্ব আৰু কৰ্তব্য নিষ্ঠাসহকাৰে পালন কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৮ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি সৰুসজাই ক্ৰীড়া প্ৰকল্পত অহা ১০ জানুৱাৰীৰ পৰা ১৩ দিনীয়া কাৰ্যসূচীৰে গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া তৃতীয় সংখ্যক খেলো ইণ্ডিয়া য়ুথ গেমছ ২০২০ ৰ স্বেচ্ছাসেৱক সন্মিলনত অধ্যক্ষতা কৰি প্ৰদান কৰা ভাষণত এই প্ৰতিযোগিতাখন সৰ্বতো প্ৰকাৰে সফল কৰাৰ দিশত  এই ক্ৰীড়াৰ বাবে নিয়োজিত স্বেচ্ছাসেৱক সকলক তেওঁলোকৰ দায়িত্ব আৰু কৰ্তব্য নিষ্ঠা সহকাৰে পালন কৰাৰ বাবে আহ্বান জনায়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰত চৰকাৰ আৰু অসম চৰকাৰে ৰাইজৰ সহযোগত মিলিত প্ৰচেষ্টাৰে এই বৃহৎ ক্ৰীড়া প্ৰতিযোগিতাখন আয়োজন কৰিছে। সেয়েহে এই ক্ৰীড়া প্ৰতিযোগিতাখন সফল ৰূপ দিবৰ বাবে গৃহস্থ হিচাপে অসমে এক বিৰল সুযোগ লাভ কৰিছে। সেয়েহে ইয়াত নিয়োজিত স্বেচ্ছাসেৱক সকলে আন্তৰিকতাৰে ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা খেলুৱৈ, কৰ্মকৰ্তা, অভিভাৱক সকলক 'অতিথি দেব ভৱ' মানসিকতাৰে আতিথ্য প্ৰদান কৰিব লাগিব। ইয়ালৈ অহা প্ৰতিগৰাকী খেলুৱৈ তথা কৰ্মকৰ্তাই নিজৰ গৃহত থকা বুলি যাতে এক অনুভৱ কৰিব পাৰে তাৰ বাবে স্বেচ্ছাসেৱক সকলে আপ্ৰাণ প্ৰচেষ্টা কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে এই ক্ৰীড়াৰ জৰিয়তে অসমৰ সন্মান বৃদ্ধি হ'ব। আনহাতে এই ক্ৰীড়াৰ জৰিয়তে যাতে অসমৰ নৈসৰ্গিক সৌন্দৰ্য, ইয়াৰ কৃষ্টি-সংস্কৃতি, নদ-নদী, পাহাৰ-ভৈয়াম, বৰ্ণিল ইতিহাসৰ বিষয়ে সকলোৰে জানিব পাৰে তাৰ বাবে স্বেচ্ছাসেৱক সকলক এইবোৰ দিশ খেলুৱৈৰ লগতে কৰ্মকৰ্তা সকলক সদৰি কৰাৰ বাবেও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে তেৰ দিনলৈ চলিবলগীয়া এই খেলো ইণ্ডিয়া য়ুথ গেমছত নিয়োজিত স্বেচ্ছাসেৱক সকলে ইয়াৰ জৰিয়তে তেওঁলোকৰ আত্মবিশ্বাস আৰু ব্যক্তিত্ব বিকাশৰ দিশত সুযোগ লাভ কৰিব পাৰিব বুলিও কয়। সুধাকণ্ঠ ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ 'এই পৃথিৱী এক ক্ৰীড়াঙ্গণ, ক্ৰীড়া হ'ল শান্তিৰ প্ৰাঙ্গণ' গীতৰ উদ্বৃতি দাঙি ধৰি মুখ্যমন্ত্ৰীয়ে কয় যে ক্ৰীড়াৰ জৰিয়তে শান্তি আৰু ভাতৃত্ববোধৰ এক বলিষ্ঠ বাতাবৰণৰ সৃষ্টি হয়। খেলো ইণ্ডিয়া ক্ৰীড়া প্ৰতিযোগিতাৰ জৰিয়তে 'এক ভাৰত শ্ৰেষ্ঠ ভাৰত'ৰ লক্ষ্যও শক্তিশালী ৰূপত প্ৰতিপন্ন হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ভাল কামৰ জৰিয়তেহে ভাল পৰিৱেশৰ ৰচনা হয়, সেয়েহে স্বেচ্ছাসেৱক সকলক এটা টীমৰ মানসিকতাৰে এই ক্ৰীড়া প্ৰতিযোগিতাখন সাফল্যমণ্ডিত কৰাৰ দিশত নিজৰ সৰ্বোচ্চ শক্তি আৰু সামৰ্থ উজাৰি দিয়াৰ বাবেও আহ্বান জনায়।

ভাষণৰ মাজতে মুখ্যমন্ত্ৰীয়ে এই ক্ৰীড়াৰ বাবে বাছনি কৰা প্ৰায় ১ হাজাৰ স্বেচ্ছাসেৱকৰ প্ৰতিনিধিক নিজৰ অনুভৱ ব্যক্ত কৰাৰ বাবে সুযোগ প্ৰদান কৰি তেওঁলোকক যথেষ্ট উৎসাহিত কৰে।

তৃতীয় সংখ্যক খেলো ইণ্ডিয়া যুথ গেমছ- ২০২০ ৰ যুটীয়া কাৰ্যবাহী বিষয়া ড° এম অংগমুথুৱে আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ সমিতিৰ সদস্য সচিব লক্ষ্য কোঁৱৰ, খেলো ইণ্ডিয়া য়ুথ গেমছৰ মুখ্য কাৰ্যবাহী বিষয়া অবিনাশ যোশীয়েও স্বেচ্ছাসেৱক সকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। আজিৰ এই অনুষ্ঠানত আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান এছ এন সিং, খেলো ইণ্ডিয়া য়ুথ গেমছৰ ফাংচনেল এৰিয়া হেড এ পি তিৱাৰী, স্পৰ্ষ্টছ অথৰিটি অৱ আসামৰ সঞ্চালক প্ৰধান ওঙ্কাৰমল কেডিয়াকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বঃভাঃ / পুঃডেঃ**
**৮/১/২০২০**